DAILY ASSAM

T2Z1H6


# পাঠ - ১১ গছ ভালপোৱা ককাৰ খং

গছ-গছনিয়ে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰে। জধে-মধে গছ-গছনি কাটি তহিলং কৰিলে আমাৰ পৰিৱেশ বিনষ্ট হ'ব। গছ-গছনি অবিহনে পৃথিৱীত মানুহ নাইবা অন্য প্ৰাণী জীয়াই থকা অসম্ভৱ। গতিকে গছ-গছনি ৰোৱা আৰু তাৰ যত্ন লোৱা আমাৰ সকলোৰে এক মহান কৰ্তব্য। গছ-গছনি নথকা এটি পৰিৱেশৰ কথা কল্পনা কৰি চোৱাচোন! তেনেকুৱা এটি অৱস্থাত আমাৰ কি কি অসুবিধা হ'ব? গছ-গছনি ভালপোৱা ককা এজনৰ মনৰ কথা তোমালোকে এই পাঠটিত পাবাহঁক।

ভাল পালোঁ ৰঘুনাথ
তুমি মোক পুতেৰাৰ
বিয়ালৈ মাতিলা,
পিছে ৰভাখন দিবলৈকে
আমলখি গছজোপা
কিয়নো কাটিলা?

আলহী-অতিথি যাব
ৰভা নাইকিয়া হ'ব
বোৱাৰীয়ে ঘৰখন
দিবহি পূৰাই,
পিছে কোৱাচোন ৰঘুনাথ
আমলখি গছজোপা
সহজতে পাবানে ঘূৰাই?

দৰাটিক মাতাচোন
এজোলোকা আশীৰ্বাদ
দিওঁ আৰু যাওঁ,
গছজোপা কটা বাবে
লুচি-ভাজি, ৰসগোল্লা
একোকে নাখাওঁ।



কবি - ডঃ ভবেন্দ্ৰ নাথ শইকীয়া।

☛ কবিতাটো কেইবাবাৰো আবৃত্তি কৰি শুনাব।

DAILY ASSAM


**জানো আহা**



ড° ভবেন্দ্ৰনাথ শইকীয়া (১৯৩২-২০০৩)ৰ জন্ম নগাঁৱত। ড° ভবেন্দ্ৰনাথ শইকীয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক আছিল। তেখেতে শিশু-সাহিত্যিক, সাৰ্থক গল্পকাৰ আৰু চলচ্চিত্ৰ পৰিচালক হিচাপে সুখ্যাতি অৰ্জন কৰিছিল। 'শান্ত-শিষ্ট-হৃষ্ট-পুষ্ট-মহাদুষ্ট' তেখেতৰ এখনি বিখ্যাত অনাতাঁৰ শিশু নাট। শিশু কল্যাণৰ বাবে 'আৰোহণ' নামৰ অনুষ্ঠানটি তেখেতৰ সপোনৰ বাস্তৱ ৰূপায়ণ।

## ক—পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়া-কলাপ**



১। **কবিতাটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়া।**

২। **কবিতাটো ছন্দ আৰু লয়ৰ সংগতি ৰাখি আবৃত্তি কৰা।**

৩। **কোৱা আৰু লিখা।**

(ক) কবিতাটোত কাৰ বিয়াৰ কথা কৈছে?
(খ) আমলখি গছজোপা কিয় কাটিলে?
(গ) কোনে আহি ঘৰখন পূৰাব বুলি কোৱা হৈছে?
(ঘ) সহজতে কি বস্তু ঘূৰাই নাপাব বুলি ককাই কৈছে?

৪। **কোৱা আৰু লিখা।**

(ক) বিয়া খাবলৈ আহি ককাৰ কিয় খং উঠিছিল?
(খ) বিয়া ঘৰত ককাই কিয় একো নাখালে?
(গ) খং উঠাৰ পাছতো ককাই দৰাক কি দিব বিচাৰিছিল?

৫। **তলৰ কবিতা ফাকি গদ্যৰূপত লিখা—**

'আলহী-অতিথি যাব
ৰভা নাইকিয়া হ'ব
বোৱাৰীয়ে ঘৰখন
দিবহি পূৰাই,
পিছে কোৱাচোন ৰঘুনাথ
আমলখি গছজোপা
সহজতে পাবানে ঘূৰাই?'

৬। কবিতাটোৰ মূলভাব লিখা।

## খ—ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৭। বাক্য ৰচনা কৰা।

এজোলোকা, আলহী-অতিথি, আশীৰ্বাদ, সহজতে, ঘূৰাই, ৰভা

**জানো আহা**

'বোৱাৰীয়ে ঘৰখন
দিবহি **পূৰাই**,
আমলখি গছজোপা
সহজতে পাবানে **ঘূৰাই**'?



আকাৰান্ত ধাতুত **'ই'** প্ৰত্যয় যোগ কৰি অসমাপিকা ক্ৰিয়া গঠন কৰা হয়। ওপৰৰ কবিতা দুশাৰীত থকা **'পূৰাই'** আৰু **'ঘূৰাই'** অসমাপিকা ক্ৰিয়া দুটিৰ গঠন চাওঁ আহা। ইয়াত 'পূৰ' আৰু 'ঘূৰ' ধাতুত প্ৰথমে 'আ' যোগ হৈ ক্ৰমে 'পূৰা' আৰু 'ঘূৰা' পাচনি ধাতু গঠিত হৈছে। এই পাচনি ধাতু দুটাত **'ই'** প্ৰত্যয় যোগ হৈ ক্ৰমে **'পূৰাই'** আৰু **'ঘূৰাই'** অসমাপিকা ক্ৰিয়া গঠিত হৈছে।

৮। **'ক'-অংশৰ লগত 'খ'-অংশৰ অৰ্থৰ মিল থকা শব্দবোৰ আঁচ টানি মিলোৱা—**

| 'ক'-অংশ | 'খ'-অংশ |
| --- | --- |
| ৰভা | দৰব |
| দৰা | বৃক্ষ |
| গছ | বৰ |
| ঔষধ | কোনো অনুষ্ঠানৰ বাবে অস্থায়ীকৈ নিৰ্মাণ কৰা চালি |

## গ—জ্ঞান সম্প্ৰসাৰণ

৯। তোমাৰ পৰিয়ালৰ অন্য সদস্যসকলক বা ওচৰ চুবুৰীয়াক গছ-গছনি নাকাটিবলৈ কেনেদৰে বুজাবা কোৱা।

১০। 'কেৱল বৃক্ষৰোপণ কৰিলেই নহয়, তাক প্ৰতিপালন কৰাটোও আমাৰেই দায়িত্ব' — কথাষাৰ দলীয়ভাৱে আলোচনা কৰা আৰু দলৰ এজনে বৰ্ণনা কৰা।

১১। 'গছ আমাৰ পৰম মিত্ৰ'— এই বিষয়টো লৈ শ্ৰেণীত পতা তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা।

১২। আমলখিৰ দৰে উপকাৰী আৰু সহজলভ্য পাঁচবিধ ফলৰ বিষয়ে লিখা।

১৩। কিছুমান গছৰ ফল-ফুল, ডাল-পাত, গা-গছ আদি আটাইবোৰ অংশই আমাৰ বাবে অতি উপকাৰী। 'কলগছ' তেনে এবিধ উপকাৰী গছ। কলগছৰ উপকাৰিতাৰ বিষয়ে দলত আলোচনা কৰি তলৰ তালিকাখন পূৰ কৰা।

| গছৰ নাম | ফল | ফুল | পাত | গা-গছ |
|---|---|---|---|---|
| কলগছ | | | | |

**জানো আহা**



**ক)** প্ৰায়ভাগ লোকেই প্ৰকৃতিক প্ৰাণ ভৰি ভাল পায়। তেনেলোকক প্ৰকৃতিপ্ৰেমী বোলা হয়। এনে এজন প্ৰকৃতিপ্ৰেমী ব্যক্তি হ'ল 'অৰণ্য মানৱ' যাদৱ পায়েং।

**যাদৱ পায়েং ঃ** যাদৱ পায়েং এগৰাকী প্ৰকৃতিপ্ৰেমী লোক তথা কৰ্মী। তেখেতক মুলাই পায়েং নামেৰেও জনা যায়। যোৰহাটৰ ককিলামুখৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ চাপৰিত তেখেতে কেইবাদশকো জুৰি গছ ৰোপণ তথা প্ৰতিপালন কৰি এক সংৰক্ষিত বনাঞ্চল গঢ়ি তুলিছে। তেখেতৰ নামেৰে এই বনাঞ্চলক 'মুলাই কাঠনি'ও বোলে। পায়েঙৰ এই বনাঞ্চলত বৰ্তমান কেইবাটাও ঢেঁকীয়াপতীয়া বাঘ, শতাধিক হৰিণাপহু, বন-গাহৰি আদি জন্তুৰ উপৰি শগুণ আৰু অনেক প্ৰজাতিৰ চৰায়ে বাস কৰি আছে। এই অৰণ্যখন অৰ্জুন, এজাৰ, কৰৈ, শিমলু আদি মূল্যৱান গছ-গছনিৰে ভৰপূৰ।

☛ ১১ নং ক্ৰিয়া-কলাপ কৰাওঁতে ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰি পৰিচালনা কৰাত সহায় কৰিব।

তেখেতৰ এই মহান কাৰ্যৰ বাবে ভাৰত চৰকাৰে তেখেতক ২০১৫ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰিছে। ২০১২ চনৰ ২২ এপ্ৰিলত 'ধৰিত্ৰী দিৱস'ৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে তেখেতক 'ভাৰতৰ অৰণ্য মানৱ' (Forest man of India) উপাধি প্ৰদান কৰে। ২০১২ চনৰ উইলিয়াম ডগলাছ মেকমাষ্টাৰ নামৰ কানাডাৰ তথ্যচিত্ৰ নিৰ্মাতা এজনে তেখেতৰ কৰ্মৰ আধাৰত 'Forest man' নামেৰে এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিছে। ২০১৩ বৰ্ষৰ 'কাঁ' চলচ্চিত্ৰ মহোৎসৱত এই তথ্যচিত্ৰখনে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ সন্মান লাভ কৰিছে। অৰণ্য মানৱ যাদৱ পায়েং এতিয়া সকলোৰে এটি চিনাকি নাম।

### খ) পৰিৱেশ সংৰক্ষণৰ বাবে উদ্‌যাপন কৰা দিৱস

- **বিশ্ব বন দিৱস (২১ মাৰ্চ)** ঃ প্ৰতি বছৰে ২১ মাৰ্চ দিনটো বন দিৱস হিচাপে পালন কৰা হয়।
- **ধৰিত্ৰী দিৱস (২২ এপ্ৰিল)** ঃ পৃথিৱীত মানুহে সৃষ্টি কৰা পৰিৱেশ সম্পৰ্কীয় সমস্যাবোৰ দিনে দিনে বৃদ্ধি পাইছে। এই দিশৰ প্ৰতি সৰ্বসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এই দিনটোক 'ধৰিত্ৰী দিৱস' হিচাপে উদ্‌যাপন কৰা হয়।
- **বিশ্ব পৰিৱেশ দিৱস (৫ জুন)** ঃ প্ৰতি বছৰে ৫ জুন তাৰিখে পৃথিৱীজুৰি 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰা হয়। জনসাধাৰণক পৰিৱেশৰ প্ৰতি সচেতন কৰি তোলাই এই দিৱস পালনৰ মুখ্য উদ্দেশ্য।

১৪। **সাঁথৰ ভাঙা।**

(ক) খাল-বিল শুকাই গ'ল,
গছৰ আগত পানী ৰ'ল।

(খ) ৰজাৰ লাঠি,
ঘন ঘন গাঁঠি





১৫। যিকোনো শুভ কাৰ্য বা অনুষ্ঠানৰ শুভাৰম্ভ এজোপা গছপুলি ৰোপণেৰে কৰিব পাৰি। তোমালোকে জন্মদিনৰ দিনাও একোটিকৈ গছপুলি ৰোপণ কৰিবা। জন্মদিনৰ বাহিৰে আৰু কি কি শুভদিনত গছ ৰোপণ কৰিব পাৰি দলত আলোচনা কৰি এখন আঁচনি (পৰিকল্পনা) প্ৰস্তুত কৰা।

DAILY ASSAM

গছপুলি ৰোপণ কৰা আঁচনি —

| তাৰিখ | উৎসৱ/উপলক্ষ্য |
| --- | --- |
| জানুৱাৰী | বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত |
| | |
| | |
| | |
| | |
| | |

ঘ—প্ৰকল্প

১৬। তুমি থকা ঠাইখনৰ ওচৰে-পাজৰে থকা গছ-গছনিবোৰৰ নামৰ এখন তালিকা প্ৰস্তুত কৰা। যদি তোমালোকৰ ওচৰত গছবোৰ নাথাকিলেহেঁতেন, তেতিয়া কেনেকুৱা হ'লহেঁতেন দলত আলোচনা কৰি লিখা।

১৭। গছ সংৰক্ষণৰ বাবে পাঁচটা শ্লোগান প্ৰস্তুত কৰা।

১৮। ড° ভবেন্দ্ৰনাথ শইকীয়াই ৰচনা কৰা শিশু-সাহিত্যসমূহ আৰু তেওঁ পৰিচালনা কৰা কথা ছবিৰ নাম সংগ্ৰহ কৰি এখন তালিকা প্ৰস্তুত কৰা।

☛ *ছাত্ৰ-ছাত্ৰীক দলীয়ভাৱে শ্লোগানসমূহ প্ৰস্তুত কৰাত সহায় কৰিব।*